# গোৱালপাৰা মহাবিদ্যালয়ত কলাগুৰু বিষ্ণু ৰাভা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

প্ৰতিদিন **বিশেষ সেৱা, গোৱালপাৰা, ১৮ জুন ঃ** ৰত্নপীঠ, পূব গোৱালপাৰা, পঞ্চৰত্ন আৰু সাহিত্যৰথী শাখা সাহিত্য সভাৰ উদ্যোগত তথা গোৱালপাৰা লেখক মঞ্চ আৰু ব্ৰহ্মনাদ কালচাৰেল ফাউণ্ডেচনৰ সহযোগত গোৱালপাৰা মহাবিদ্যালয়ৰ পৰিবেশ্য কলা ভৱনত অহা ২০ জুনত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে কলাগুৰু বিষ্ণু ৰাভা দিৱস উদ্‌যাপনৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত ৰত্নপীঠ শাখা সাহিত্য সভাৰ সভাপতি ভবেন দাসে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰাৰ পিচত ৯.১৫ বজাত কলাগুৰু বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিত স্মৃতি তৰ্পণ কৰিব গোৱালপাৰা লেখক মঞ্চৰ সভাপতি চিত্তৰঞ্জন কলিতাই। পুৱা ১০ বজাত বিশিষ্ট সাহিত্যিক কেৰামত আলী শ্বেখৰ পৰিচালনাত ছন্দ-গীত-নৃত্যৰে বিষ্ণু প্ৰসাদ ৰাভাৰ স্মৃতিচাৰণ আৰু দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠান। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰিব গোৱালপাৰাৰ নিৰ্বাচনী বিষয়া শৈলেন দত্ত দাসে। সভাখনত মুখ্য অতিথি হিচাপে গুৱাহাটীৰ বিশিষ্ট সাহিত্যিক ধীৰেন শৰ্মা, বিশিষ্ট অতিথি হিচাপে সাহিত্যিক পেন্সনাৰ তথা গোৱালপাৰা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰকাশ চন্দ্ৰ ৰাভা, সন্মানীয় অতিথি হিচাপে প্ৰাক্তন অধ্যাপক তথা বিধায়ক দেৱান জয়নাল আবেদিন আৰু নিৰ্দিষ্ট বক্তা হিচাপে বিশিষ্ট সাহিত্যিক তথা প্ৰাক্তন অধ্যক্ষ আশুবোধ কলিতা উপস্থিত থাকিব। উক্ত অনুষ্ঠানত গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসক আৰু স্বাস্থ্য বিষয়া দিলোৱাৰ হক ফকিৰক সম্বৰ্ধনা জনোৱা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।